# প্ৰধান মন্ত্ৰীয়ে ফিলিপাইনৰ প্ৰতি সমবেদনা জ্ঞাপন কৰাৰ উপৰিও ৰিলিফ আৰু পুণৰসংস্থাপনৰ প্ৰচেষ্টাত সহায় আগবঢ়াইছে ।

নভেম্বৰ ১২,২০১৩

ফিলিপাইনত প্ৰলয়ংকাৰী টাইফুন–হাইয়ানৰ কবলত পৰি বহু লোক নিহত হোৱা আৰু সংঘটিত ধংসকাৰ্য্যৰ বাবে প্ৰধান মন্ত্ৰী ড:মন মোহন সিঙে ফিলিপাইনৰ ৰাষ্ট্ৰপতি বেনিগনো একুইনোৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে ।ড; মন মোহন সিঙে তেওঁৰ সমবেদনা পত্ৰত উল্লেখ কৰে যে সকলো ধৰনৰ ৰিলিফ কাৰ্য্যত আৰু পুনৰসংস্থাপনৰ প্ৰচেষ্টাত ভাৰতে ফিলিপাইনক সহযোগ কৰিবলে প্ৰস্তুত আছে ।

প্ৰধান মন্ত্ৰীৰ সমবেদনা পত্ৰৰ পৰা জানিব পৰা প্ৰসংগ :

“টাইফুন হায়েনাৰ কবলত পৰি সংঘটিত হোৱা ক্ষয় ক্ষতিৰ বাবে মই ভাৰতৰ সকলো নাগৰিকৰ হৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছো । এই অতি দূৰ্ভাগ্যৰ সময়ত সংঘটিত ঘটনাত ক্ষতিগ্ৰস্ত সকলৰ প্ৰতি আৰু ফিলিপাইনৰ সকলো নাগৰিকৰ প্ৰতি  আমাৰ সকলো ধৰনৰ সমবেদনা আৰু প্ৰৰ্থনা আগবঢ়াইছো ।

যি সময়ত  কোনো এখন দেশে এই পৰ্যায়ৰ প্ৰলয়ংকাৰি ঘটনাৰ সন্মুখিন হব লগা হয়  পুনৰ আগৰ স্থিতিলৈ উভতি আহিবলৈ কিছু সময় লয় । মোৰ দৃঢ় বিশ্বাস আছে যে ফিলিপাইনৰ জনগনৰ সহনশিলতা সমাধানৰ ক্ষমতাই তেওঁলোকক তেওঁলোকৰ ক্ষতিৰ বিভিষিকাৰ পৰা সোনকালেই মুক্ত কৰিব পাৰিব আৰু মোৰ বিশ্বাস যে আপোনাৰ চৰকাৰে ক্ষতিগ্ৰস্ত সম্প্ৰদায়ক সকলক তৎকালিন ভাৱে ৰিলিফ আগবঢ়াবলৈ সমৰ্থ হব ।আপোনাৰ

চৰকাৰৰ ৰিলিফ আৰু পুণৰসংস্থাপনৰ প্ৰচেষ্টাত সহযোগিতা আগবঢ়াবলৈ আমি সম্পূৰ্ণ প্ৰস্তুতিৰে সাজু হৈ আছো । অনুগ্ৰহ কৰি মোৰ আশ্বাসক আপুনি উষ্চ বিবেচনাৰে গ্ৰহন কৰিব ।”

নতুন দিল্লী

নভেম্বৰ ১২,২০১৩